# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-04-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

- - - - - - - - - - - - - -

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আজি দুদিনীয়া ভ্ৰমণসূচীৰে পাহাৰীয়া জিলা কাৰ্বি আংলঙত উপস্থিত হ'ব। এই ভ্ৰমণ কালত মুখ্যমন্ত্ৰীগৰাকীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ কাৰ্বি আংলং ভ্ৰমণকালত মুঠ ১০০ কোটি টকাতকৈ অধিক ব্যয়সাপেক্ষ প্ৰকল্পৰ উদ্বোধনৰ লগতে আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে ডিফুৰ তাৰালাংছ'ৰ কাজিৰ ৰংহাপী অতিথিশালাত ২০২১ চনৰ কেন্দ্ৰীয় চৰকাৰৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা কাৰ্বি আংলঙৰ প্ৰাক্তন বিদ্ৰোহী সংগঠনৰ সৈতে আলোচনাত মিলিত হ'ব। দিনৰ ভাগত ডিফুত লোকনিৰ্মাণ বিভাগৰ এটা ভৱন উদ্বোধন কৰাৰ লগতে প্ৰথমজন কাৰ্বি ৰজাৰ এটা প্ৰতিমূৰ্তিও উন্মোচন কৰিব। তেওঁ ডিফুৰ অংগনবাড়ী কৰ্মী আৰু সহায়িকাৰ মাজত সামগ্ৰী বিতৰণ কৰিব আৰু এখন ৰাজহুৱা সভাতো ভাগ লব। ডিফুত মুখ্যমন্ত্ৰীয়ে বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ এটা প্ৰতিমূৰ্তি উন্মোচন আৰু এটা সমূহীয়া ভৱনো উদ্বোধন কৰিব। সন্ধিয়াৰ ভাগলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ বিষয়ববীয়াৰ সৈতে এক আলোচনাত মিলিত হ'ব। নিশা তাৰালাংছ'ত অনুষ্ঠিত হ'বলগীয়া এক সাংস্কৃতিক অনুষ্ঠানতো মুখ্যমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰাৰ কথা।

০০০০০

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। বিয়লি ৩ বজাত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময় উকলি যোৱাৰ পাছত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰাৰ্থীসকলে নিৰ্বাচনৰ বাবে প্ৰচাৰ আৰম্ভ কৰিছে।

নিৰ্বাচন আয়োগে নিৰ্বাচনী আচৰণ বিধি উলংঘাকে ধৰি পঞ্চায়ত নিৰ্বাচন সম্পৰ্কীয় অভিযোগৰ বাবে প্ৰতিখন জিলাত এটা শুল্কবিহীন নম্বৰৰ ব্যৱস্থা কৰিছে। জনসাধাৰণে এই জিলাভিত্তিক নম্বৰসমূহত ফোন কৰি ওজৰ আপত্তি দাখিল কৰিব পাৰিব।

০০০০০

উচ্চতম ন্যায়ালয়ে ৱক্‌ফ সংশোধনী আইনৰ সাংবিধানিক বৈধতাৰ প্ৰশ্ন তুলি দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত  আজিৰে পৰা প্ৰতি দিনে শুনানি গ্ৰহণ কৰিব। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত এখন বিচাৰপীঠে কালি দিনৰ ২ বজাত গোচৰটোৰ শুনানি আৰম্ভ কৰে আৰু কেন্দ্ৰীয় চৰকাৰৰ হৈ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ৱক্‌ফ সংশোধনী আইনৰ সপক্ষে আগবঢ়োৱা যুক্তি শুনে। ছলিচিটৰ জেনেৰেলগৰাকীয়ে এই ক্ষেত্ৰত ন্যায়ালয়ে কোনো অন্তৰৰ্তীকালীন আদেশ জাৰি কৰাৰ বিৰোধিতা কৰে আৰু ইয়াৰ পাছত ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক নিজৰ শপতনামা দুসপ্তাহৰ ভিতৰত দাখিল কৰাৰ বাবে জাননী জাৰি কৰে। শুনানিৰ সময়ত আদালতে দেশৰ বিভিন্ন অংশত ৱক্‌ফ আইনক লৈ সৃষ্টি হোৱা হিংসাত্মক প্ৰতিবাদ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে আৰু এই পৰিস্থিতি শীঘ্ৰেই নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক নিৰ্দেশ দিয়ে।

ooooo

স্বাধীনতা সংগ্ৰামী শ্বহিদ মণিৰাম দেৱানৰ আজি জন্ম দিৱস উপলক্ষে শ্ৰদ্ধা নিবেদন কৰা হৈছে। ১৮০৬ চনৰ ১৭ এপ্ৰিলত শিৱসাগৰ জিলাৰ চাইগুত জন্মগ্ৰহণ কৰা মণিৰাম দেৱানৰ অমৰ ত্যাগৰ কাহিনী অসমৰ ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ হৈ আছে। প্ৰথম অসমীয়া চাহ খেতিয়ক দেৱানে বৃটিছৰ কৰতলীয়া ৰজা পুৰন্দৰ সিংহৰ ৰাজত্ব কালত বৰভাণ্ডাৰ  বৰুৱা বাব পোৱাৰ পিছত মৌজাদাৰ হৈছিল যদিও সেই কামৰ পৰা অব্যাহতি লৈ আচাম টি কোম্পানীত দেৱান পদ গ্ৰহণ কৰিছিল। কিন্তু বৃটিছ্ শাসকৰ দমনকাৰী নীতিৰ বিৰুদ্ধে চিপাহী বিদ্ৰোহৰ সময়তে তেওঁ প্ৰতিবাদ সাব্যস্ত কৰে। ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত মণিৰাম দেৱানক যোৰহাটত ফাঁচি দিয়া হৈছিল। ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰীৰ লগতে বিশিষ্ট ব্যক্তিয়ে মণিৰাম দেৱানৰ জন্ম দিৱসত শ্ৰদ্ধা জ্ঞাপন কৰিছে। মন্ত্ৰী কেশৱ মহন্তই দেৱানৰ জন্ম দিৱস উপলক্ষে শ্ৰদ্ধা জনাই দিয়া বাৰ্তাত তেওঁৰ স্বদেশ প্ৰেম আৰু বলিদানে প্ৰতিগৰাকী ভাৰতীয়ক সদায় অনুপ্ৰাণিত কৰি থাকিব বুলি মত প্ৰকাশ কৰে।

ooooo

চৰাইদেউ জিলাৰ টেঙাপুখুৰীত কালি সংঘটিত এটা পথ দুৰ্ঘটনাৰ ফলত অসম জাতীয় পৰিষদৰ চৰাইদেউ জিলাৰ সভাপতি টংকেশ্বৰ কোঁৱৰৰ মৃত্যু হয়। দুৰ্ঘটনাটোত কোঁৱৰৰ লগতে ৫ জন লোক গুৰুতৰভাৱে আহত হৈছিল যদিও চিকিৎসাধীন অৱস্থাত তেওঁৰ ডিব্ৰুগড়ত মৃত্যু হয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ খেলত ডেলহী কেপিটেলছে ৰাজস্থান ৰয়েলছক ছুপাৰ অভাৰত পৰাস্ত কৰে। ডেলহি কেপিটলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অভিষেক পোৰেলৰ ৪৯ আৰু কে এল ৰাহুলৰ ৩৮ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৮৮ ৰান কৰে। প্ৰত্যুত্তৰত ৰাজস্থানেও নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেট হেৰুৱাই ১৮৮ ৰান সংগ্ৰহ কৰে। দুয়োটা দলৰ স্ক'ৰ সমান হোৱাত ছুপাৰ অভাৰৰ সহায় ল'বলগীয়া হয়। ছুপাৰ অভাৰত ৰাজস্থান ৰয়েলছে ১১ ৰান কৰে। ডেলহি কেপিটেলছে দুটা বল খেলিবলৈ বাকী থকা অৱস্থাত নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে।

00000

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃ